REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 06-10-2023
Time : 1845 Hrs.

# ASSAMESE EVENING BULLETIN

## Headlines

১।	ৰাজ্যৰ বিভিন্ন প্ৰান্তত নেৰানেপেৰা বৰষুণ অব্যাহত। গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত বাট-পথ, চৰকাৰী কাৰ্যালয়, বিদ্যালয় আদি জলমগ্ন।

২।	চিকিমত আৱদ্ধ হৈ থকা অসমৰ ১৬০ গৰাকী শিক্ষাৰ্থীক উদ্ধাৰৰ বাবে অসম চৰকাৰৰ দুগৰাকী উচ্চ পদস্থ বিষয়াক প্ৰেৰণ।

৩।	চৰাইদেউ মৈদাম ক্ষেত্ৰত কাইলৈ ইউনেস্কোৰ বিশেষজ্ঞ প্ৰতিনিধিৰ দল উপস্থিত।

৪।	মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি জনতা ভৱনত সমাগত খেল মহাৰণৰ ল'গ', খেলৰ পোছাক আৰু শীৰ্ষ সংগীত উদ্বোধন। *আৰু*

৫।	এছিয়ান গেমছৰ হকীত আজি ভাৰতীয় পুৰুষ দলৰ সোণৰ পদক অৰ্জন। ০০০০০

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত নেৰানেপেৰা বৰষুণ অব্যাহত আছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত বাট-পথ, চৰকাৰী কাৰ্যালয়, বিদ্যালয় আদি কৃত্ৰিম বানত বুৰ গৈছে। বৰঝাৰত থকা আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা বতৰৰ আগলিবতৰা অনুসৰি আজিৰে পৰা ৯ অক্টোবৰলৈ অসমৰ বিভিন্ন স্থানত নেৰানেপেৰা বৰষুণ হৈ থাকিব। বতৰ বিজ্ঞান কেন্দ্ৰটোৱে ৰাজ্যৰ বহুকেইখন জিলাত ৰেড এলাৰ্ট আৰু য়েলো এলাৰ্ট জাৰি কৰিছে। গুৱাহাটীকে ধৰি ৰাজ্যৰ কেইবাখনো জিলাত বজ্ৰপাতৰ সৈতে আকাশ ডাৱৰীয়া হৈ থাকিব বুলি কেন্দ্ৰটোৱে প্ৰকাশ কৰিছে। বঙাইগাওঁ, ধুবুৰী, গোৱালপাৰা, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ডিমা হাচাও জিলাত অত্যাধিক বৰষুণৰ আশংকাৰে ৰেড এলাৰ্ট জাৰি কৰা হৈছে। আনহাতে, কোকৰাঝাৰ, চিৰাং, বাক্সা, বৰপেটা, নলবাৰী, ওদালগুৰি, দৰং, কামৰূপ মহানগৰ, মৰিগাওঁ, নগাওঁ, লখিমপুৰ, ধেমাজী, তিনিচুকীয়া, কাৰ্বি আংলং, কাছাৰ, কৰিমগঞ্জ জিলাত হালধীয়া সতৰ্ক জাৰি কৰিছে।

যোৱা ৪৮ ঘণ্টাত নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটীৰ বিভিন্ন অঞ্চল জলমগ্ন হৈ আছে। অনিল নগৰ, নবীন নগৰ, জু ৰোড, ৰাজগড়, পূৰ শৰণীয়া আদি অঞ্চলত জীৱন যাত্ৰা ব্যাহত হৈছে। আজি দিনৰ ভাগত অনিল নগৰ অঞ্চলত এন দি আৰ এফ আৰু এছ দি আৰ এফে উদ্ধাৰ আৰু সাহায্য অভিযান চলায়। গৃহ আৰু নগৰ উন্নয়ন মন্ত্ৰী অশোক সিংহাল আৰু মেয়ৰ মৃগেন শৰনীয়াই ভৰলমুখ শ্লুইছগেটৰ লগতে শিলসাকো আদি অঞ্চল ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লয়। শ্ৰীসিংহালে কয় যে, যোৱা ৪৮ ঘণ্টাত গুৱাহাটী মহানগৰীত প্ৰায় ১৬৮ মিলিমিটাৰ বৰষুণ হৈছিল। ইয়াৰ বিপৰীতে যোৱা ছেপ্তেম্বৰ মাহত ১৭১ মিলিমিটাৰ বৰষুণ হৈছিল।

গুৱাহাটী মহানগৰীৰ পৰিস্থিতি সন্দৰ্ভত মেয়ৰ শ্ৰীমৃগেন শৰণীয়াই এইদৰে কয়।

ঃঃ ভইছ ঃঃ

০০০০০০০

কাইলৈ ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰত ইউনেস্কোৰ বিশেষজ্ঞ প্ৰতিনিধিৰ দল আহি উপস্থিত হ'ব। ইউনেস্কোৰ উত্তৰ পূৱ এছিয়াৰ বিশেষজ্ঞ প্ৰতিনিধি ছিংগাপুৰৰ **লিম চিং ছিয়াঙৰ** নেতৃত্বত এই বিশেষজ্ঞৰ দলটো কাইলৈ মৈদাম ক্ষেত্ৰত উপস্থিত হ'ব। ৩ দিন মৈদাম ক্ষেত্ৰত বিশেষজ্ঞৰ দলটোৱে তথ্য আৰু সমল সংগ্ৰহৰ লগতে মৈদামৰ ঐতিহাসিক গুৰুত্ব বিচাৰ কৰি প্ৰতিবেদন দাখিল কৰিব। এই প্ৰতিবেদনৰ ওপৰত নিৰ্ভৰ কৰিয়েই চৰাইদেউ মৈদাম ক্ষেত্ৰই ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি পোৱাটো নিৰ্ভৰ কৰিব। ইতিমধ্যে মৈদামস্থলীত থকা ২৮ টা মৈদাম ছাফ চিকুণ কৰি তোলা হৈছে। ইউনেস্কোৰ এই বিশেষ প্ৰতিনিধি দলটোক আদৰিবলৈ কেন্দ্ৰীয় পূৰাতত্ব বিভাগ, প্ৰত্নতত্ব সঞ্চালকালয় অসম, শিৱসাগৰ আৰু চৰাইদেউ জিলা প্ৰশাসনৰ লগতে স্থানীয় ৰাইজ সাজু হৈ উঠিছে। উল্লেখযোগ্য যে, অহা ৯ অক্টোবৰৰ বিয়লি পৰ্যন্ত বিশেষজ্ঞৰ দলটোৱে মৈদাম এলেকাৰ বিভিন্ন তথ্য সমল সংগ্ৰহ কৰি ছিংগাপুৰলৈ ৰাওনা হৈছে।

০০০০০০০

ৰাজ্য চৰকাৰে ছিকিমত আকস্মিক বানত আবদ্ধ হৈ পৰা অসমৰ শিক্ষাৰ্থীসকলক উদ্ধাৰৰ বাবে দুজন জ্যেষ্ঠ বিষয়া প্ৰেৰণ কৰিছে। ছিকিমৰ ৰংপো আৰু মাজিতৰ অঞ্চলত অসমৰ ১৬০ গৰাকী শিক্ষাৰ্থী আবদ্ধ হৈ থকা বুলি অৱগত হোৱাৰ পাছতে ৰাজ্য চৰকাৰে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰে।

ইফালে কেন্দ্ৰীয় চৰকাৰে বানপীড়িত ছিকিমলৈ প্ৰায় ৪৫ কোটি টকাৰ দুৰ্যোগ সাহায্য প্ৰদানত অনুমতি জনাইছে। এই ধনৰাশি কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ পৰা ২০২৩-২৪ বৰ্ষৰ বাবে ৰাজ্যখনলৈ আগবঢ়াইছে। গৃহ মন্ত্ৰালয়ে আকস্মিক বানৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰিবলৈ আন্তঃমন্ত্ৰালয়ৰ কেন্দ্ৰীয় দল গঠন কৰিছে। মন্ত্ৰালয়ে জনোৱা মতে দলটোৱে অতি সোনকালে ৰাজ্যৰ ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰিব আৰু ইয়াৰ মূল্যায়নৰ ভিত্তিত ছিকিমলৈ অতিৰিক্ত কেন্দ্ৰীয় সাহায্যত অনুমোদন জনোৱা হ'ব।

ইফালে পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনলৈ সময়মতে ৰচদ-পাতিৰ সাহায্য আগবঢ়াইছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, ভাৰতীয় বায়ুসেনাৰ হেলিকপ্টাৰ আৰু সেনাজোৱানৰ পৰ্যাপ্ত দলৰ লগতে প্ৰয়োজনীয় অনুসন্ধান আৰু উদ্ধাৰৰ সঁজুলিও প্ৰেৰণ কৰা হৈছে। ইপিনে, ৰাজ্যখনৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগে এটা নিৰ্দেশনাৰ জৰিয়তে জনসাধাৰণক তিস্তা নদীৰ অৱবাহিকাত গুলী-বাৰুদকে ধৰি আন বিস্ফোৰক সামগ্ৰী উদ্ধাৰ হ'লে সেইসমূহ ততালিকে ৰাজ্যিক তাৎক্ষণিক অভিযান কেন্দ্ৰ অথবা জিলা আয়ুক্তৰ কাৰ্যালয়ত জমা দিবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে, দুদিন পূৰ্বে ডাৱৰ বিস্ফোৰণ আৰু বানপানীৰ বাবে তিস্তা নৈৰ কেইখনো দলং, ১০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কিছু অংশ আৰু ছুংথাং বান্ধ উটুৱাই লৈ যোৱাৰ ফলত ৰাজ্যখনৰ কেইবাখনো সৰু চহৰৰ আন্তঃগাঁথনি ক্ষতিগ্ৰস্ত হৈ পৰিছে।

০০০০০০০

ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আজি চিৰাং জিলাৰ ভৱানীপুৰত অমৃত কলহ যাত্ৰাত অংশগ্ৰহণ কৰে। যাত্ৰাৰ শেষত অনুষ্ঠিত সভাত অংশ লৈ চিৰাং জিলাৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে মেৰা মাটি মেৰা দেশ কাৰ্যসূচীৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। এই অমৃত কলহ যাত্ৰাত মন্ত্ৰীগৰাকীৰ লগতে চিৰাং জিলাৰ আয়ুক্ত আৰু চিডলী বিধানসভা সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী উপস্থিত থাকে।

আনহাতে, নগাওঁ জিলাতো আজি মেৰা মাটি মেৰা দেশ অভিযানৰ অধীনত অমৃত কলহ যাত্ৰাৰ আয়োজন কৰা হয়। জিলাখনৰ বটদ্ৰৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত চহৰীয়া গাঁও পঞ্চায়তত অনুষ্ঠিত এই কাৰ্যসূচীত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ উপস্থিত থাকে। অৰ্ধসহস্ৰাধিক লোকে অংশগ্ৰহণ কৰা এই অমৃত কলহ শোভাযাত্ৰাত জিলাখনৰ আৰক্ষী অধীক্ষক নৱনিত মহন্তইও অংশগ্ৰহণ কৰে। যাত্ৰাৰ শেষত সংগৃহীত মাটিখিনি চহৰীয়া গাঁও পঞ্চায়তত জমা কৰা হয়।

0000000

ইৰানৰ মানৱ অধিকাৰ কৰ্মী নাৰ্গিছ্‌ মহম্মদীলৈ ২০২৩ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। মহিলাৰ ওপৰত হোৱা অত্যাচাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে শ্ৰীমতী মহম্মদীলৈ এই বঁটা আগবঢ়োৱা হৈছে। শান্তিৰ ন'বেল বঁটা লাভ কৰা উনবিংশগৰাকী মহিলা হিচাপে পৰিগণিত হোৱা নাৰ্গিছ্‌ মহম্মদী বৰ্তমান কাৰাগাৰত  আছে। তেওঁক ১৩বাৰ গ্ৰেপ্তাৰ, পাঁচবাৰ দোষী সাব্যস্ত কৰাৰ লগতে ৩১ বছৰৰ কাৰাবাস দিয়া হৈছে। ইৰানৰ মহিলাসকলৰ ওপৰত হোৱা অত্যাচাৰৰ বিৰুদ্ধে যুঁজ দিয়া আৰু মানৱ অধীকাৰ তথা সকলোৰে স্বাধীনতাৰ হকে মাত মতাৰ বাবে নাৰ্গিছ্‌ মহম্মদীলৈ ন'বেল সমিতিয়ে শান্তিৰ ন'বেল বঁটা আগবঢ়োৱাৰ সিদ্ধান্ত লয়।

0000000

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি বৰপেটাত উপস্থিত হৈ শিক্ষা বিভাগৰ এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। যোৱা ৩ অক্টোবৰৰ পৰা ৰাজ্যৰ শিক্ষা খণ্ডত বাধ্যতামূলকভাৱে প্ৰৱৰ্তন কৰা শিক্ষাসেতু এপৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ সৈতে মত বিনিময় কৰে। তেওঁ কয় যে, এপটোৰ জৰিয়তে সমগ্ৰ অসমত দৈনিক এক লাখ ৯০ হাজাৰ শিক্ষক শিক্ষয়িত্ৰীয়ে উপস্থিতিৰ তথ্য সন্নিবিষ্ট কৰিছে। আনহাতে, ৰাজ্যত আজিৰ দিনটোত ৯০ শতাংশ ছাত্ৰ-ছাত্ৰী বিদ্যালয়ত উপস্থিত থকা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে বৰপেটা জিলাৰো তথ্য দাঙি ধৰে। জিলাখনত কৰ্মৰত মুঠ এঘাৰ হাজাৰ ৭৫৮ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ ভিতৰত এহেজাৰ ১৬৫ গৰাকী আজি বিদ্যালয়ত অনুপস্থিত থাকে। এই সন্দৰ্ভত অনুসন্ধান কৰিবলৈ বৰপেটাৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে জিলা বিদ্যালয় শিক্ষা বিভাগক নিৰ্দেশ দিয়া হৈছে বুলি সদৰি কৰিছে। আনহাতে, মন্ত্ৰীগৰাকীয়ে জিলাখনৰ অন্যান্য উন্নয়নমূলক বিষয়ৰো এখন পৰ্যালোচনা বৈঠকত ভাগ লয়। ইয়াৰ পিছতে মন্ত্ৰীগৰাকীয়ে কলগাছিয়াত উপস্থিত হৈ তিতাপানী গাওঁ পঞ্চায়তত অমৃত কলহ যাত্ৰাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ডাঃ পেগুয়ে ৰূপচী উন্নয়ন খণ্ডত নিৰ্মাণ কৰিবলগীয়া ১৩ টা অঙ্গনৱাড়ী কেন্দ্ৰৰো শিলান্যাস কৰে।

0000000

মাজুলীৰ শ্ৰীৰাম চাপৰিত কাইলৈ ৫০খন বিচনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয় মুকলি কৰা হ'ব। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই চিকিৎসালয়খন উদ্বোধন কৰিব। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্ত, সাংসদ প্ৰদান বৰুৱা, মাজুলীৰ বিধায়ক ভূৱন গাম আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অতিৰিক্ত মুখ্য সচিব অৱিনাশ যোশী উপস্থিত থাকিব। এই আয়ুৰ্বেদিক চিকিৎসালয়খনে মাজুলীবাসীক চিকিৎসাৰ ক্ষেত্ৰত বহুখিনি সকাহ দিব বুলি আশা কৰা হৈছে।

0000000

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত আজি কমনৱেল্‌থ এডুকেশ্বনেল মেডিয়া চেণ্টাৰ ফৰ এছিয়া চমুকৈ ছেমকাৰ সহযোগত মুক্ত আৰু দূৰৱৰ্তী শিক্ষাৰ সজুলি তথা সামৰ্থ বিকাশৰ কাৰণে এখন তিনিদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। উত্তৰাখণ্ড মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যাপক জীতেন্দ্ৰ পাণ্ডে আৰু চেমকাৰ

জ্যেষ্ঠ পৰামৰ্শদাতা পেমা এদেন চামডুপে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰা কৰ্মশালাখন চেমকাৰ সঞ্চালক বছিৰ হামাদ চাদৰাখে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। কৰ্মশালাখনত মুক্ত শিক্ষাৰ ক্ষেত্ৰত নৱীকৰণযোগ্য তথা পুনৰ সংৰক্ষণযোগ্য সম্পদৰ সৃষ্টিৰ বিষয়ে বিশ্ববিদ্যালয় পৰিয়ালৰ শৈক্ষিক সদস্যসকলৰ লগতে অধ্যয়ন কেন্দ্ৰসমূহৰ পৰামৰ্শদাতাসকলক প্ৰশিক্ষণ দিয়া হয়। উল্লেখযোগ্য যে বিশ্ববিদ্যালয়খনে এই ক্ষেত্ৰত অতি সোণকালে এটা মুক্ত শিক্ষণ সামগ্ৰীৰ আভাসী লেখাগাৰ স্থাপনৰ পৰিকল্পনা কৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনত সমাগত খেল মহাৰণৰ ল'গ', খেলৰ পোছাক আৰু শীৰ্ষ সংগীতৰ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন আৰু ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। খেল মহাৰণৰ উদ্দেশ্যে আজি দ'দান নামৰ শুভংকৰ প্ৰতীকটো উদ্বোধন কৰা হৈছে। শীৰ্ষ সংগীতত কণ্ঠদান কৰিছে জুবিন গাৰ্গে।

উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰৰ উদ্যোগত আয়োজিত হ'বলগীয়া এই খেল মহাৰণ অহা ১ নৱেম্বৰৰ পৰা ১০ জানুৱাৰীলৈ সমগ্ৰ ৰাজ্যজুৰি অনুষ্ঠিত হ'ব। এই খেল মহাৰণত ৫ টা ক্ৰীড়া শাখাত প্ৰায় ৫০ লাখ ক্ৰীড়াবিদে অংশগ্ৰহণ কৰিব। ৰাজ্যৰ ক্ৰীড়া সন্থা, স্থানীয় যুৱ সংঘ, প্ৰবীন আৰু জ্যেষ্ঠ ক্ৰীড়াবিদসকলক যৌথ কৰি এই ক্ৰীড়া প্ৰতিযোগিতা আয়োজন কৰা হ'ব। প্ৰতিযোগিতাসমূহ গাওঁ পঞ্চায়ত আৰু পৌৰ নিকায়, বিধানসভা সমষ্টি, জিলা আৰু ৰাজ্যিক এই ৪ টা পৰ্যায়ত অনুষ্ঠিত হ'ব। ৰাজ্যিক পৰ্যায়ৰ খেলসমূহ গুৱাহাটী, ডিব্ৰুগড়, শোণিতপুৰ, কোকৰাঝাৰ, শিলচৰ আৰু ডিফুত অনুষ্ঠিত হ'ব। এই খেল মহাৰণত এথলেটিক্স, ফুটবল, কাবাডী, ভলীবল আৰু খ'খ' এই ৫ বিধ খেল সামৰি লোৱা হৈছে। প্ৰতিযোগিতাসমূহ ১৯ বছৰ অনুৰ্ধৰ পুৰুষ আৰু মহিলা আৰু ১৯ বছৰৰ উৰ্ধৰ পুৰুষ আৰু মহিলাৰ বাবে পৃথকে পৃথকে ৪ টা শাখাত অনুষ্ঠিত হ'ব।

০০০০০০০

এছিয়ান গেমছত আজি ভাৰতে পুৰুষৰ হকীত সোণৰ পদক অৰ্জন কৰিছে। চূড়ান্ত খেলত ভাৰতে জাপানক ৫-১ গলত পৰাজিত কৰে। ইয়াৰ ফলত ভাৰতৰ পুৰুষ দলটোৱে পেৰিছ অলিম্পিকৰ বাবে যোগ্যতা অৰ্জন কৰিছে। আহাতে পুৰুষৰ ক্ৰিকেটত ভাৰতে ছেমিফাইনেলত বাংলাদেশক ৯ উইকেটত হৰুৱাই ফাইনেলত প্ৰৱেশ কৰে। কাইলৈ আফগানিস্তানৰ বিৰুদ্ধে সোণৰ পদকৰ বাবে ভাৰতে প্ৰতিদণ্ডিতা কৰিব। ইফালে, ভাৰতৰ পুৰুষৰ কাবাদীৰ দলটোৱে পাকিস্তানক হৰুৱাই ফাইনেলত প্ৰৱেশ কৰিছে। মহিলাৰ কাবাদীৰ দলটোৱে ছেমিফাইনেলত নেপালক হৰুৱাই ফাইনেলত স্থান লাভ কৰিছে।

আৰ্চাৰীত আজি ভাৰতৰ মহিলা দলে ভিয়েটনামক ৬-২ ফলাফলত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক জয় কৰাৰ বিপৰীতে পুৰুষ দলটোৱে ফাইনেলত দক্ষিণ কোৰিয়াৰ হাতত পৰাজিতহৈ ৰূপৰ পদক লাভ কৰে। মল্লযুঁজত মহিলাৰ ফ্ৰী ষ্টাইল ৬২ কেজি শাখাত চুনমে চীনৰ লং জিয়াৰ বিৰুদ্ধে খেলি ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। আনহাতে মল্লযুঁজৰ পুৰুষৰ ৫৭ কেজি শাখাত অমনে চীনৰ খেলুৱৈক হৰুৱাই ব্ৰঞ্জৰ পদক লাভ কৰে।

আনহাতে বেডমিণ্টনত এইছ এছ প্ৰণয়ে ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। পুৰুষৰ ডাবলছত স্বাত্বিকছাইৰাজ ৰনকীৰেড্ডী আৰু চিৰাগ ছেট্টিৰ যুটীটোৱে ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। স্বাত্বিকছাইৰাজ আৰু চিৰাগৰ যুটিটো ছেমিফাইনেলত মালয়েছিয়াৰ আৰ'ন চিয়া আৰু ছুহ উই য়িকৰ সন্মুখীন হ'ব।

ইয়াকে ধৰি ভাৰতে বৰ্তমানলৈকে ২২টা সোণ, ৩৪টা ৰূপ আৰু ৩৯টা ব্ৰঞ্জসহ মুঠ ৯৫টা পদক লাভ কৰিছে। ভাৰত বৰ্তমান পদক তালিকাৰ চতুৰ্থ স্থানত আছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে বিশ্বনাথ, হোজাই আৰু তামুলপুৰ জিলাৰ পৰা অংশকালীন সংবাদদাতা পদৰ বাবে আবেদন বিচাৰিছে। আগ্ৰহী প্ৰাৰ্থীয়ে ২০ অক্টোবৰৰ ভিতৰত আবেদন-পত্ৰ জমা দিব পাৰিব। প্ৰাৰ্থী স্নাতকোত্তৰ ডিপ্লমা, সাংবাদিকতাৰ স্নাতক বা স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। বয়স ২৪ৰ পৰা ৪৫ বছৰৰ ভিতৰত হ'ব লাগিব। লগতে প্ৰাৰ্থী জিলা মুখ্য কাৰ্যালয়ৰ পৰা ১০ কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত থকা হ'ব লাগিব। ইয়াৰ লগতে প্ৰাৰ্থীৰ ন্যূনতম দুবছৰৰ সাংবাদিকতাৰ অভিজ্ঞতা থকা হ'ব লাগিব। আগ্ৰহী প্ৰাৰ্থীয়ে WWW.NEWSONAIR.GOV.IN ত এই বিষয়ে সবিশেষ তথ্য লাভ কৰাৰ লগতে ইয়াৰ বাবে প্ৰয়োজনীয় আবেদন পত্ৰ ডাউনলʼড কৰিব পাৰিব। ইচ্ছুক প্ৰাৰ্থীয়ে একপি পাছপৰ্ট আকাৰৰ ফটোসহ স্ব-প্ৰত্যায়িত নথি ২০ অক্টোবৰৰ ভিতৰত ডাকযোগে অথবা নিজে আকাশবাণী গুৱাহাটীৰ চানমাৰি কাৰ্যালয়ত জমা দিব লাগিব। আবেদনপত্ৰসমূহ Head Of Office, **আকাশবাণী গুৱাহাটী, চানমাৰি, গুৱাহাটী-৭৮১০০৩**লৈ প্ৰেৰণ কৰিব লাগিব।

০০০০০০০

সমাপ্ত